কৰিছিল। তেওঁ 'গৌৰীৰ চৰণ' সেৱা কৰা লৈ চাই শাক্ত বুলি অনুমান কৰিব পাৰি।

কবিয়ে তিনিওখন কাব্যৰ বিষয়বস্তু জৈমিনী ঋষি ৰচিত মহাভাৰতৰ অশ্বমেধ পৰ্বৰপৰা লৈছে। 'বভ্রুবাহনৰ যুদ্ধ' কাব্যত আছে—যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা আটক কৰাৰ ফলত অৰ্জুনে পৰিচয় নাজানি পুত্ৰ বভ্রুবাহনৰ লগত যুদ্ধ কৰি মৃত্যুবৰণ কৰিব লগা হয়; কিন্তু শেষত মাক চিত্ৰাংগদা আৰু মাহীমাক উলুপীৰ দিহা মতে বভ্রুবাহনে পাতালৰপৰা সঞ্জীৱনী মণি আনি অৰ্জুনক প্ৰাণ দিয়ে।

'বভ্রুবাহনৰ যুদ্ধ'ৰ কাহিনীৰ লগত সাদৃশ্য দেখুৱালৈ গৈ প্ৰাসংগিক ক্ৰমে জৈমিনীয়ে লৱ-কুশৰ যুদ্ধৰ কাহিনীটো কৈছে। হৰিবৰ বিপ্ৰয়ো তাকে লৈ সুকীয়াকৈ কাব্য ৰচনা কৰিছে। কাব্যখনত অশ্বমেধ যজ্ঞৰ ঘোঁৰা উদ্ধাৰ কৰিবলৈ যাওঁতে বাল্মীকি ঋষিৰ আশ্ৰমত থকা শ্ৰীৰাম-পুত্ৰ লৱ-কুশৰ হাতত ভায়েকসকলৰে সৈতে শ্ৰীৰামৰ মৃত্যু আৰু শেষত বাল্মীকিৰ অনুগ্ৰহত কেনেকৈ পুনৰ্জীৱন লাভ হ'ল তাকেই বৰ্ণনা কৰা হৈছে। দুয়োখন কাব্যতে অশ্বমেধ যজ্ঞৰ ঘোঁৰা উদ্ধাৰ কৰিবলৈ যাওঁতে পুত্ৰৰ হাতত পিতৃৰ পৰাভৱ আৰু পুনৰ্জীৱন লাভ— এই দুয়োটা কাহিনীৰ সাদৃশ্য মন কৰিব লগীয়া।

'তাম্ৰধ্বজৰ যুদ্ধ' হৰিবৰ বিপ্ৰৰ তৃতীয় যুদ্ধ-কাব্য। এই কাব্যখনত বভ্রুবাহনৰ যুদ্ধৰ পৰৱৰ্তী কাহিনী বৰ্ণিত হৈছে। অৰ্জুনে যজ্ঞৰ ঘোঁৰা লৈ ময়ূৰধ্বজ ৰজাৰ নগৰ পালে। ইফালে ময়ূৰধ্বজ ৰজাই সপ্তম অশ্বমেধ যজ্ঞৰ ঘোঁৰা মেলিছিল। ঘোঁৰাৰ পিছত সঁসেলো পুতেক তাম্ৰধ্বজ। দুই যজ্ঞৰ ঘোঁৰাৰ ভেটাভেটি হোৱাৰ ফলত দুয়োপক্ষৰ মাজত যুদ্ধ আৰম্ভ হ'ল। যুদ্ধত তাম্ৰধ্বজে অৰ্জুন, কৃষ্ণ আদিক মূৰ্চ্ছা নিয়ায়; কিন্তু শেষত কৃষ্ণাৰ্জুনে ব্ৰাহ্মণ-শিষ্যৰ বেশেৰে ছলনা কৰি ময়ূৰধ্বজ ৰজাৰপৰা নিজ যজ্ঞৰ ঘোঁৰা উদ্ধাৰ কৰে। ইয়াতেই ঘটনাৰ সামৰণি পৰিছে।

**আলোচনা ঃ** কাব্য তিনিখনত হৰিবৰ বিপ্ৰৰ কবি-প্ৰতিভাৰ স্পষ্ট চানেকি আছে। কবিয়ে আখ্যানকেইটাৰ অসমীয়া ৰূপ দিওঁতে মূলৰপৰা একেবাৰে আঁতৰি যোৱা নাই। অৱশ্যে বিভিন্ন বৰ্ণনা-প্ৰসংগত অৱস্থা ভেদে কল্পনাৰ ৰহণ সানিছে; বিশেষকৈ প্ৰাকৃতিক দৃশ্য, ঘৰ-দুৱাৰ, গছ-গছনি, ফুল-লতা আদিৰ বৰ্ণনাত স্থানীয় চিত্ৰ আঁকিছে। সেইদৰে বীৰ-ৰস (যুদ্ধাদিৰ বৰ্ণনা বা করুণ-ৰস নাৰীৰ বিলাপৰ বৰ্ণনা) সৃষ্টিত কবিয়ে অসামান্য দক্ষতা দেখুৱাব পাৰিছে। কবিৰ বৰ্ণনা প্ৰাঞ্জল আৰু শক্তিশালী। জতুৱা ঠাঁচ, উপমা, প্ৰৱচন আদিয়ে ভাষা সমৃদ্ধ কৰি তুলিছে। উদাহৰণ স্বৰূপে—

উপমা— সমস্ত সেনাক মাৰিবোহো সমৰত।
কোমোৰাত খাণ্ডাৰ প্ৰহাৰ যেন মত।

প্ৰৱচন (১) খং নামে চণ্ডালক সহিতে না পাৰি।
(২) কুঠাৰে নকাটে নখে বিদাৰিতে চাস।।

(২) কুঠাৰে নকাটে নখে বিদাৰিতে চাস।।



**কবিৰত্ন সৰস্বতী :** এওঁ হেম সৰস্বতী আৰু হৰিবৰ বিপ্ৰৰ সমসাময়িক হলেও অলপ পাছৰ কবি। কিয়নো এওঁ আত্মপৰিচয় দিওঁতে কমতাৰ ৰজা দুৰ্লভ নাৰায়ণৰ পুতেক ইন্দ্ৰনাৰায়ণৰ প্ৰশস্তি গাইছে। সম্ভৱ এওঁ কমতা ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। কবিৰ আত্মপৰিচয়পৰা তেওঁৰ জন্মস্থান বৰপেটাৰ ওচৰৰ শিলা গাঁৱত বুলি অনুমান কৰা হৈছে। তেওঁৰ বাপেক চক্ৰপাণি শিকদাৰ দুৰ্লভ নাৰায়ণৰ কৰ্মচাৰী আছিল।

কবিয়ে দ্ৰোণ-পৰ্বৰপৰা কাহিনী লৈ জয়দ্ৰথ-বধ নামে এখনি ক্ষুদ্ৰ কাব্য ৰচনা কৰে। কবিৰ ভাষা সৰল আৰু কম জতুৱা। 'কৈলাশ-বৰ্ণনা' কাব্যখনিৰ এটি আকৰ্ষণীয় অংশ। তাত প্ৰাকৃতিক দৃশ্য, শিৱৰ অনচৰসকল আৰু নাগৰিকসকলৰ ৰূপ-যৌৱনৰ মনোৰম বিৱৰণ আছে। কবিয়ে 'শকুন্তলা উপাখ্যান' আৰু 'যযাতি চৰিত্ৰ' নামেও দুখন পদ-পুথি ৰচা বুলি উল্লেখ কৰিছে।

**ৰুদ্ৰ কন্দলী :** ৰুদ্ৰ কন্দলীয়ে মহাভাৰতৰ দ্ৰোণ-পৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধ উপপৰ্বত থকা সাত্যকীৰ যুদ্ধৰ কাহিনী লৈ 'সাত্যকী-প্ৰৱেশ' নামে এখনি সৰু কাব্য ৰচে। কাব্যত দিয়া আত্মপৰিচয়ৰপৰা অনুমান কৰিব পাৰি যে কবিয়ে শ্ৰীমন্ত তাম্ৰধ্বজৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। শ্ৰীমন্ত তাম্ৰধ্বজ প্ৰাচীন কামৰূপ-কমতা ৰাজ্যৰ পশ্চিম অঞ্চলৰ আৰু চতুৰ্দশ শতিকাৰ মাজ ভাগৰ ৰজা বুলি সৰহভাগ পণ্ডিতে অনুমান কৰে। গতিকে ৰুদ্ৰ কন্দলীকো সেই সময়ৰ আৰু সেই অঞ্চলৰ লোক বুলি ক'ব পাৰি।

'সাত্যকী-প্ৰৱেশ'ত যদুবংশীয় ৰজা শিনিৰ নাতিয়েক আৰু সত্যকৰ পুতেক সাত্যকীয়ে কুৰুক্ষেত্ৰ ৰণত পাণ্ডৱৰ ফলীয়া হৈ যুঁজি কেনেকৈ বীৰত্ব দেখুৱাইছিল তাৰ বৰ্ণনা আছে। বৰ্ণনা কৰোঁতে কবিয়ে প্ৰায়ে মূলৰ লগত মিল ৰাখিলেও প্ৰয়োজন অনুসৰি কেতিয়াবা মূলৰ দুৰ্বোধ্য কথা চমু কৰিছে আৰু কেতিয়াবা কাহিনী আকৰ্ষণীয় কৰিবলৈ মূলৰপৰা আঁতৰি নিজাকৈ বহল বৰ্ণনা দিছে। যুদ্ধৰ বৰ্ণনা, ভাষাৰ ঘৰুৱা ঠাঁচ আৰু উপমা প্ৰয়োগৰ ক্ষেত্ৰত কবিৰ দক্ষতা দেখা যায়।

**মাধৱ কন্দলী :** ওপৰত কোৱা হৈছে যে, প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলীয়ে শ্ৰেষ্ঠ। অকল এয়ে নহয়, প্ৰাচীন যুগৰ আগশাৰীৰ কবি শংকৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী আদিৰ লগতহে মাধৱ কন্দলীক ঠাই দিব লাগিব।

মাধৱ কন্দলীয়ে সুদূৰ চতুৰ্দশ শতিকাতে বাল্মীকিৰ ৰামায়ণ অসমীয়ালৈ ভাঙনি কৰি এফালে যেনেকৈ নব্য ভাৰতীয় আৰ্য ভাষাৰ প্ৰথম ৰামায়ণ বুলি অসমৰ গৌৰৱ অৰ্জন কৰিলে, আনফালে তেনেকৈ অসমীয়া ভাষা-সাহিত্যৰ ভেটিও সুদৃঢ় কৰি তুলিলে। মাধৱ কন্দলীৰ বহুকাল আগতে, অৰ্থাৎ, ৯ম শতিকাত তামিল ভাষাত আৰু ১২শ শতিকাত কানাড়ী ভাষাত ৰামায়ণৰ ভাঙনি হয়। একাদশ শতিকাত পণ্ডিত হেমচন্দ্ৰ আচাৰ্যই জৈন ৰামায়ণ ৰচনা কৰে। ই হ'[illegible] কন্দলীৰখনেই নব্য ভাৰতীয়